# 2024

## ASSAMESE

( Honours Elective )

Paper : ASM–HE–5026

( অসমীয়া ৰমণ্যাসবাদী কবিতা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) ৰমণ্যাসবাদ হ'ল "বিস্ময়ৰ পুনৰ জাগৰণ" কথাষাৰ কোনে কৈছিল ?

(খ) ১৮৮৯ চনটো অসমীয়া সাহিত্যত কি কাৰণে বিখ্যাত ?

(গ) 'কদমকলি' কাব্যগ্ৰন্থখনি কোন চনত প্ৰকাশ পাইছিল ?

(ঘ) অসমীয়া সাহিত্যত প্ৰথমটো ৰমণ্যাসিক কবিতা কোনে ৰচনা কৰিছিল ?

(ঙ) মৰণোত্তৰভাৱে প্ৰকাশিত চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যগ্ৰন্থখনৰ নাম কি ?

(চ) ৰঘুনাথ চৌধাৰী ৰচিত কথা-কবিতাৰ পুথিখনৰ নাম লিখা।

(ছ) 'সোণোৱালী দেশ' কবিতাটোৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(জ) 'বিশ্বশিল্পী' কবিতাটোৰ মাজেৰে প্ৰধানকৈ কবিৰ কি সুৰ ধ্বনিত হৈছে?

(ঝ) 'লালকিল্লা' কবিতাটোত কোন সাম্ৰাজ্যৰ পতনৰ কথা উল্লেখ আছে?

(ঞ) 'প্ৰিয়তমাৰ চিঠি' কবিতাটো কোনবিধ চনেটৰ আৰ্হিত ৰচিত?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'লিৰিকেল বেলাড' গ্ৰন্থখনৰ লেখক দুগৰাকী কোন কোন?

(খ) মফিজুদ্দিন আহমদ হাজৰিকাৰ ৰচিত কাব্যগ্ৰন্থ দুখনৰ নাম কি কি?

(গ) অসমীয়া সাহিত্যৰ যি কোনো দুগৰাকী চনেটকাৰৰ নাম লিখা।

(ঘ) নলিনীবালা দেৱী ৰচিত দুখন কাব্যগ্ৰন্থৰ নাম লিখা।





GOALPARA COLLEGE LIBRARY Date.........

(ঙ) ''সোণোৱালী দেশৰ ৰেখাটি
ধীৰে ধীৰে জিলিকে দূৰত,
সংগীতৰ সুমধুৰ সুৰ
উৰি উৰি আহে বতাহত।''

এই স্তৱকটিৰ ৰচক কোন? তেখেতৰ ৰচিত এখন কাব্যগ্ৰন্থৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ''বীণৰ আত্মাটি উৰি গুণ গায়
কোনেনো ভোমোৰা বোলে?
খোপাৰ ফুলটি উৰিয়েই প্ৰিয়াৰ
পখিলাৰ নাম পালে।''

প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা।

(খ) 'নিয়ৰ' কবিতাটিৰ কবিৰ কল্পনাপ্ৰৱণতা কেনেদৰে প্ৰকাশ পাইছে, চমুকৈ আলোচনা কৰা।

(গ) 'মানৱায়তন' কবিতাটোৰ মূলভাৱ লিখা।

(ঘ) অসমীয়া কাব্য-সাহিত্যলৈ কবি শৈলধৰ ৰাজখোৱাদেৰৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঙ) ''যদিওবা পখী ক্ষুদ্ৰ জীৱ তই
শৰীৰৰ শক্তি ক্ষীণ,
কিন্তু সি শক্তিত বিশ্ব প্ৰেমৰস
ব'ই থাকে ৰাতি দিন।''

এই স্তৱকটিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(চ) কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা লিখা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ 'ভ্ৰম' কবিতাটোৰ বিষয়বস্তু তোমাৰ ভাষাৰে ব্যক্ত কৰা।

(খ) চুফীবাদ বুলিলে কি বুজা? চুফীবাদৰ দৰ্শন মফিজুদ্দিন আহমদ হাজৰিকাৰ 'আত্মন' কবিতাটোত কেনেদৰে পৰিস্ফুট হৈ উঠিছে বিচাৰ কৰা। চুফীবাদী দৰ্শনৰ সতে ৰহস্যবাদৰ সম্পৰ্ক বিচাৰ কৰা।

(গ) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' (প্ৰথম তৰংগ) কবিতাটোৰ এটি বৈশিষ্ট্যমূলক আলোচনা আগবঢ়োৱা।

(ঘ) প্ৰিয়তমাৰ আগমনৰ আগত আৰু পিছত কবিৰ অৱস্থা কেনেকুৱা হৈছে—কবি বভ্ৰকান্ত বৰকাকতিৰ 'বিশ্বহৰণ' কবিতাটিৰ আলমত বিচাৰ কৰা।

(ঙ) শোক কবিতা হিচাপে শৈলধৰ ৰাজখোৱা ৰচিত 'বিদায় পৰত' কবিতাটিৰ এটি পৰ্যালোচনা আগবঢ়োৱা।

(চ) কবিয়ে নিজকে কিয় বিশ্বশিল্পীৰ ৰূপত সজাব বিচাৰিছে? 'বিশ্বশিল্পী' কবিতাটোৰ মাজেৰে কবিৰ বিশ্বজনীন সুৰটো কেনেদৰে ধ্বনিত হৈছে, ব্যাখ্যা কৰা।

(ছ) দেশপ্ৰেমমূলক কবিতা হিচাপে 'হে জননী ভাৰতবৰ্ষ'ৰ অন্তৰ্নিহিত কথাখিনি উদ্ধৃতি সহকাৰে আলোচনা কৰা।

(জ) ডিম্বেশ্বৰ নেওগৰ 'শাপমুক্তা' কবিতাটোৰ নামকৰণৰ তাৎপৰ্য বিচাৰ কৰি কবিতাটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

★★★

**2 0 2 4**

# ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–5036

**( শংকৰদেৱ )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

GOALPARA COLLEGE LIBRARY Date........

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) শংকৰদেৱৰ জন্ম কোন শতিকাত হৈছিল ?

(খ) শংকৰদেৱে আটাইতকৈ শেষত ৰচনা কৰা নাটখনৰ নাম কি ?

(গ) চৰিত পুথিত উল্লেখ থকা মতে শংকৰদেৱে প্ৰথমটো বৰগীত 'মন মেৰি ৰাম চৰণেহি লাগু' ক'ত ৰচনা কৰিছিল ?

(ঘ) বৰগীতক কোনগৰাকী অসমীয়া বুৰঞ্জীকাৰে 'Holy Songs' আখ্যা দিছে ?

(ঙ) মাধৱদেৱৰ আজ্ঞানুসাৰে কোনে 'কীৰ্তন' পুথিৰ বিভিন্ন খণ্ডসমূহ সংগ্ৰহ কৰি সংকলন কৰিছিল ?

(চ) 'গুৰুচৰিত' পুথিত উল্লেখ থকা মতে কাৰ অনুৰোধ মৰ্মে শংকৰদেৱে 'ৰামবিজয়' নাট ৰচনা কৰিছিল ?

(ছ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ মূল কাহিনীভাগ কোনখন পুৰাণৰ আধাৰত ৰচিত ?

(জ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত কোনগৰাকী দেৱতাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা হৈছে ?

(ঝ) ৰামচৰণ ঠাকুৰৰ 'শংকৰ চৰিত' মতে কোন বাৰ তীৰ্থ ভ্ৰমণ কৰি আহি শংকৰদেৱে 'পাৰিজাত হৰণ' নাট ৰচনা কৰিছিল ?

(ঞ) 'পাৰিজাত হৰণ' নাটৰ কোনটো চৰিত্ৰক তীৰ্থনাথ শৰ্মাই অসমীয়া 'ব'ৰাগী ককাই'ৰ আদৰ্শত ৰচনা কৰা বুলি অনুমান কৰিছে ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) শংকৰদেৱে প্ৰণয়ন কৰা দুই প্ৰকাৰ ভটিমা কি কি ?

(খ) শংকৰদেৱে অনন্ত কন্দলিক দশমৰ কোন দুটা খণ্ড ভাঙনি কৰিবলৈ নিৰ্দেশ দিছিল ?

(গ) "গুৰুজনে খেদকৈ বোলে বৰাৰ পো, অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে।..." 'গুৰুচৰিত কথা'ত উল্লেখ থকা এই কথাখিনি কোনে, কাক কৈছে ?

(ঘ) 'পাৰিজাত হৰণ' নাটৰ মূল কাহিনীভাগ 'ভাগৱত পুৰাণ'ৰ উপৰিও অন্য কোন দুখন পুৰাণত পোৱা যায় ?

(ঙ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত হৰিশ্চন্দ্ৰ ৰজাৰ স্বৰ্গ লাভৰ পাছত কোন দুগৰাকী ঋষিৰ মাজত লগা যুদ্ধৰ বৰ্ণনা দিয়া আছে ?





GOALPARA COLL LIBRARY Date............

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) বৈষ্ণৱ সাহিত্যৰ পটভূমি সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) শংকৰদেৱে ৰচনা কৰা অংকীয়া নাটৰ ভাষাৰ বিষয়ে এটি চমু টোকা লিখা।

(গ) শংকৰদেৱ আৰু মাধৱদেৱ ৰচিত বৰগীতৰ এটি তুলনা দাঙি ধৰা।

(ঘ) 'শিশুলীলা' খণ্ডত বৰ্ণিত শ্ৰীকৃষ্ণই কুবেৰৰ পুত্ৰক মুক্তি দিয়া ঘটনাংশ তোমাৰ ভাষাৰে লিখা।

(ঙ) হৰিশ্চন্দ্ৰ ৰজাই কিয় সোঁ-শৰীৰেৰে স্বৰ্গলৈ যাব খোজা নাছিল, 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ আধাৰত বৰ্ণনা কৰা।

(চ) 'পাৰিজাত হৰণ' নাটত সন্নিৱিষ্ট নৰকাসুৰ বধ কাহিনীভাগ চমুকৈ উল্লেখ কৰা।

৪। (ক) শংকৰদেৱৰ সাহিত্যৰাজিক শ্ৰেণীবদ্ধ ৰূপত ভাগ কৰি এক পৰিচয়মূলক আলোচনা প্ৰস্তুত কৰা। ১০

*অথবা*

(খ) শংকৰদেৱে ৰচনা কৰা নাটসমূহক কালানুক্ৰমিকভাৱে সজাই নাটসমূহৰ বিষয়ে এক সামগ্ৰিক পৰ্যালোচনা আগবঢ়োৱা।

GOALPARA COLLEGE LIBRARY



৫। (ক) শংকৰদেৱৰ কাব্যিক প্ৰতিভা 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত কেনেদৰে প্ৰতিভাত হৈছে, কাব্যখনৰ ৰস সৃষ্টি আৰু পৰিস্থিতি চিত্ৰণৰ আলমত বিচাৰ কৰা। ১০

*অথবা*

(খ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত বিশ্বামিত্ৰ ঋষিৰ ক্ৰূৰতাৰ বিপৰীতে হৰিশ্চন্দ্ৰ ৰজাৰ ধৰ্মনিষ্ঠা তথা সহনশীলতা কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰা।

৬। (ক) 'কীৰ্তন'-পুথিৰ 'গজেন্দ্ৰ উপাখ্যান'ত উল্লেখিত গজেন্দ্ৰৰ প্ৰকৃত পৰিচয় দাঙি ধৰি তেওঁৰ বিষ্ণুভক্তি সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) 'সাৰংগ পাণি...' বৰগীতটোৰ বিষয়বস্তুৰ তাৎপৰ্য আৰু কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

৭। (ক) "শংকৰদেৱৰ নাটসমূহৰ ভিতৰত নাটকীয় গুণলৈ দৃষ্টি ৰাখি 'পাৰিজাত হৰণ'কে উৎকৃষ্ট বুলিব পাৰি।" সমালোচকৰ এই উক্তিৰ যথাৰ্থতা প্ৰতিপন্ন কৰিবলৈ 'পাৰিজাত হৰণ'ত প্ৰকাশ পোৱা নাটকীয় গুণৰ আভাস দিয়া। ১০

*অথবা*

(খ) 'পাৰিজাত হৰণ' নাটৰ চৰিত্ৰবোৰৰ মাজত স্বভাৱৰ বৈপৰীত্য আৰু সমধৰ্মিতা কেনেদৰে অংকিত হৈছে, নাটৰ প্ৰধান চৰিত্ৰকেইটাৰ আলমত বিশ্লেষণ কৰা।

★★★